DAILY ASSAM

# ৰাজপথ

ভৱানন্দ দত্ত

## পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ

দ্বিতীয় মহাযুদ্ধৰ পৰৱৰ্তী সময়ৰে পৰা আধুনিক অসমীয়া কবিতাত পৰিৱৰ্তন লক্ষ্য কৰা যায়। কুৰি শতিকাৰ চল্লিছৰ দশকত অসমীয়া কবিতাই পুৰণি ভাববাদী ৰোমাণ্টিক ভাবধাৰাৰ পৰা আঁতৰি আহি নতুন চিন্তাধাৰাৰে বাস্তৱবাদী ভাবধাৰাৰ পাতনি মেলে। ত্ৰিশৰ দশকৰ শেষভাগত অসমীয়া সাহিত্যৰ নমস্য কবি ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত প্ৰকাশ পোৱা 'জয়ন্তী' চল্লিছৰ দশকৰ তৃতীয় বছৰত কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্যৰ যুটীয়া সম্পাদনাত নতুন ৰূপত প্ৰকাশ পায়। ৰোমাণ্টিক কবিৰ বাস্তৱ-বিমুখ ভাবাৱেগৰ বিপৰীতে সামাজিক চেতনাক কবিতাত অগ্ৰাধিকাৰ দিয়ে। কবি ভৱানন্দ দত্তৰ 'ৰাজপথ' কবিতাটিত তেনে চিন্তাৰ সাৰ্থক প্ৰতিফলন লক্ষ্য কৰিব পাৰি। নতুন ৰূপৰ, প্ৰগতিশীল 'জয়ন্তী'ৰ প্ৰথম সংখ্যাত 'নচিকেতা' ছদ্মনামত এই কবিতাটি প্ৰকাশ পায়। পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য— আধুনিক বাস্তৱবাদী কবিতাৰ প্ৰথম স্তৰৰ চানেকীৰ সৈতে ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰি দিয়া।

## কবি পৰিচিতি ঃ

ভৱানন্দ দত্তৰ (১৯১৮-৫৯) যোৰহাটত জন্ম হয়। অবিভক্ত কামৰূপ জিলাৰ ৰতনপুৰ গাঁৱৰ চৌখুটি ছাত্ৰ-বৃত্তি স্কুল আৰু বজালী হাইস্কুলৰ পৰা স্কুলীয়া শিক্ষা, কটন মহাবিদ্যালয়ৰ পৰা আই. এ. আৰু দৰ্শন বিষয়ত

প্ৰথম শ্ৰেণীসহ বি. এ. পৰীক্ষাত তেওঁ উত্তীৰ্ণ হয়। ১৯৪৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম. এ. ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছত নলবাৰী কলেজত কৰ্মজীৱনৰ পাতনি মেলে। পৰৱৰ্তী সময়ত কটন মহাবিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক হিচাপে সেৱা আগবঢ়ায়। উল্লেখযোগ্য ৰচনাসমূহ — 'Philosophy and India', 'ৰবীন্দ্ৰ প্ৰতিভা', 'দৃষ্টি আৰু দৰ্শন', 'অসমীয়া কবিতাৰ কাহিনী', 'অসমৰ জাতীয় সমস্যাৰ বিৱৰ্তন'।

**মূল পাঠ ঃ**

ব্লেক আউটৰ অন্ধকাৰময় হে ৰাজপথ!
কত ট্ৰাম, বাছ, টেক্সি, ৰিক্সা চলে
তোমাৰ উদাৰ বুকুৰ ওপৰেদি
কত ব্যগ্ৰ ৰজনীৰ উদ্ভ্ৰান্ত প্ৰেমৰ
গোপন অভিসাৰ চলে
তোমাৰ প্ৰশান্ততাৰ সুবিধা লৈ।
কত অফিচ-ফেৰত হোটেল-বাকী কেৰাণী আদিৰ
শ্ৰান্তি গুচোৱা ৰূপ-বজাৰৰ
আমোদখিনিৰ সুবিধা দিয়া।
আন্ধাৰ ৰাতিৰ সুযোগ লৈ
সমাজৰ চকুত ধূলি দিয়া
জীৱিকা-সন্ধানী ভদ্ৰ-বনিতাৰ
চৰণাঘাত লভিছা কত!
বিচিত্ৰ তোমাৰ লীলা,
দুকাষে তোমাৰ দালানৰ শাৰী

পাঁচ তলাৰ ওপৰত শুনা যায় ৰেডিঅ'ৰ গান,
অৰ্গেনত ৰবীন্দ্ৰ-সংগীত;
ডবল তলিচা পৰা মেহগনি পালেঙত
বিৰহ-কাতৰা কলেজ গাৰ্লৰ
অলসায়িত দেহা।
আৰু তাৰ তলতেই ফুটপাথত
(ধন্য তোমাৰ দয়া!)
শূন্য ভিক্ষা পাত্ৰ লৈ শুই পৰা
মৃতপ্ৰায় কংকালৰ শাৰী;
গৃহহীন যিসকল,
ভগ্নপ্ৰায় সমাজৰ দস্যুতাৰ ছাইন-পোষ্ট যেন
অৰ্থহীন অধিকাৰহীন
বঞ্চিতৰ বাচিবৰ বাঞ্ছা
তোমাৰ কোলাত পায় সিয়ে নিঃশ্ৰেয়স মোক্ষ।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| ব্লেক আউট | — | নিষ্প্ৰদীপ। |
| উদ্ভ্ৰান্ত | — | ব্যাকুল। |
| শ্ৰান্তি | — | ভাগৰ। |
| মেহগনি | — | এবিধ মূল্যৱান কাঠ। |
| দস্যুতা | — | ডকাইতি। |
| ছাইন-পোষ্ট | — | পথৰ নাম আদি উল্লেখ থকা ফলক-স্তম্ভ। |
| নিঃশ্ৰেয়স | — | মংগলহীন। |
| মোক্ষ | — | মুক্তি। |

## আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। ‘অসমীয়া কবিতাৰ কাহিনী’ গ্ৰন্থখন কাৰ ৰচনা?

২। ‘ব্লেক আউট’ মানে কি?

৩। ৰাজপথত কোন সময়ত ভদ্ৰ-বনিতাৰ চৰণাঘাত পৰে?

৪। ‘ৰাজপথ’ কবিতাটি প্ৰথমে কোনখন আলোচনীত প্ৰকাশ পাইছিল?

৫। ‘নচিকেতা’ কাৰ ছদ্মনাম?

**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ২ অথবা ৩)

১। ‘ৰাজপথ’ নামৰ কবিতাটিত কবিয়ে আধুনিক যুগৰ কোনখিনি সময়ৰ চিত্ৰ অংকন কৰিছে?

২। বিভিন্নজন ব্যক্তিয়ে কেনেদৰে ৰাজপথৰ উদাৰতাৰ সুযোগ লৈছে?

৩। ৰাজপথৰ দুকাষে থকা বৃহৎ অট্টালিকাবোৰৰ ছবি কবিতাটিত কেনেদৰে প্ৰকাশ পাইছে?

৪। ৰাজপথৰ কাষৰ ফুটপাথত কোন কেনেকৈ থাকে?

৫। ভৱানন্দ দত্তৰ ‘ৰাজপথ’ কবিতাটোত বাস্তৱতা কেনেদৰে ফুটি উঠিছে?

**(গ) দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। ‘ৰাজপথ’ কবিতাটিৰ জৰিয়তে আধুনিক সভ্যতাই সৃষ্টি কৰা প্ৰেমৰ নগ্ন স্বৰূপ কেনেদৰে প্ৰকাশিত হৈছে — বুজাই লিখা।

২। সমাজ জীৱনৰ শ্ৰেণী-বৈষম্যৰ ছবিখন ‘ৰাজপথ’ কবিতাটিত কেনেদৰে প্ৰকাশিত হৈছে বুজাই লিখা।

৩। ‘ৰাজপথ’ কবিতাটিৰ শেষভাগত ৰাজপথক কাৰ আশ্ৰয়স্থলী হিচাপে প্ৰকাশ কৰা হৈছে?

৪। ‘ৰাজপথ’ কবিতাটিত ‘বঞ্চিতৰ বাচিবৰ বাঞ্ছা’ মানে কি কথা কোৱা হৈছে বুজাই লিখা।

৪। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ

(ক) আন্ধাৰ ৰাতিৰ সুযোগ লৈ
সমাজৰ চকুত ধূলি দিয়া
জীৱিকা-সন্ধানী ভদ্ৰ-বনিতাৰ
চৰণাঘাত লভিছা কত!

(খ) পাঁচ তলাৰ ওপৰত শুনা যায় ৰেডিঅ’ৰ গান,
অৰ্গেনত ৰবীন্দ্ৰ-সংগীত,
ডবল তলিচা পৰা মেহগনি পালেঙত
বিৰহ-কাতৰা কলেজ গাৰ্লৰ
অলসায়িত দেহা।

(গ) আৰু তাৰ তলতেই ফুটপাথত
(ধন্য তোমাৰ দয়া!)
শূন্য ভিক্ষা পাত্ৰ লৈ শুই পৰা
মৃতপ্ৰায় কংকালৰ শাৰী;

**পাঠবোধ ঃ**

এটি ‘ৰাজপথ’ক কেন্দ্ৰ কৰি কবিয়ে আধুনিক সভ্যতাই সৃষ্টি কৰা অৱক্ষয়ৰ ৰূপ প্ৰকাশ কৰিছে। ৰাজপথৰ উদাৰ বুকুৰ ওপৰেদি জীৱনক গতি দিয়া ট্ৰাম, বাছ, টেক্সি, ৰিক্সাবোৰ চলি থাকে। তাৰ লগতে প্ৰশান্ত

ৰাজপথৰ সুবিধা লৈ নিশাৰ অন্ধকাৰত উদ্‌ভ্ৰান্ত প্ৰেমৰ গোপন অভিসাৰো চলে। এই ৰাজপথৰ কোনোবাখিনিত ওৰে দিনটো শ্ৰম কৰি অফিচৰ পৰা ভাগৰুৱা হৈ ঘৰলৈ উভতি অহা কেৰাণীসকলে বজাৰৰ আমোদ লয়। আনহাতে আন্ধাৰ ৰাতিৰ সুযোগ লৈ সমাজৰ চকুত ধূলি দি জীৱিকাৰ সন্ধানত ভদ্ৰ নাৰীয়ে বিচৰণ কৰে। এহাতে ধনতান্ত্ৰিক সমাজ ব্যৱস্থাই সৃষ্টি কৰা অট্টালিকা আৰু বিলাসী জীৱন, আনহাতে তাৰ তলতেই ফুটপাথত ভিক্ষাৰ শূন্য পাত্ৰ লৈ শুই পৰা সৰ্বহাৰাৰ শাৰী। এই গৃহহীন, বঞ্চিতসকলৰ শেষ আশ্ৰয়, মুক্তিৰ পথ হ'ল 'ৰাজপথ'।

**ওপৰঞ্চি তথ্য ঃ**

বাস্তৱবাদী দৃষ্টিভংগীৰে সমাজৰ নিঃস্ব, অৱহেলিত, শোষিত, লাঞ্ছিতসকলৰ দুখ-দুৰ্দশাৰ কথা প্ৰকাশ পোৱা সাহিত্যিক চিন্তাধাৰাক 'প্ৰগতিবাদী চিন্তাধাৰা' বুলি কোৱা হয়। অসমীয়া সাহিত্যলৈ এই চিন্তাধাৰা 'জয়ন্তী'য়ে বোৱাই আনে। এই চিন্তাধাৰাৰে আধুনিক অসমীয়া কবিতালৈ বৈপ্লৱিক ভাবধাৰা প্ৰৱাহিত কৰাত প্ৰধানতঃ ধীৰেন্দ্ৰচন্দ্ৰ দত্ত, ভৱানন্দ দত্ত, অমূল্য বৰুৱা, চক্ৰেশ্বৰ ভট্টাচাৰ্য আদি কবিসকলে লোৱা ভূমিকা লক্ষ্য কৰিবলগীয়া।

**শিক্ষকৰ প্ৰতি ঃ**

ছাত্ৰ-ছাত্ৰীসকলক 'জয়ন্তী'ৰ চিন্তাদৰ্শ, ধ্যান-ধাৰণা সম্পৰ্কে এটি চমু আভাস দি আধুনিক অসমীয়া কবিতালৈ কেনেদৰে পৰিৱৰ্তন আহিছিল— সেই সম্পৰ্কে ধাৰণা দিবলৈ যত্ন কৰিব। ভৱানন্দ দত্তৰ উপৰি ধীৰেন্দ্ৰচন্দ্ৰ দত্ত, অমূল্য বৰুৱাৰ কবিতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক চমু ধাৰণা দিলে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব।